

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ – ২

পৃথিৱীৰ অভ্যন্তৰ ভাগ

অংশ – ৪ (প্রশ্ন- উত্তৰ)

জ্যোতি দাস

অনুশীলনী

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা —


(ক) পৃথিৱীৰ পৃষ্ঠৰপৰা কেন্দ্রলৈ ৪ / ৩ / ২ টা স্তৰেৰে গঠিত।

উঃ-

(খ) ভূত্বক গড়ে প্ৰায় ২০ / ৩০ / ২৫ কিল'মিটাৰ ডাঠ।



(গ) পৃথিৱীৰ গৰ্ভ মানে হ'ল- ভূত্বক / গুৰুমণ্ডল / কেন্দ্রমণ্ডল।



(ঘ) জীৱাশ্ম সাধাৰণতে গেদীয় শিল / আগ্নেয়শিল / ৰূপান্তৰিত শিলত পোৱা যায়।



(ঙ) আটাইতকৈ টান মণিকবিধ হ'ল সোণ / হীৰা / দস্তা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। খালী ঠাই পূৰ কৰা —

(ক) ভূপৃষ্ঠৰপৰা অভ্যন্তৰ ভাগলৈ ক্রমান্বয়ে উষ্ণতা বাঢ়ি গৈ থাকে।

(খ) ভূত্বক স্তৰক ছিয়ালি বুলিও জনা যায়।

(খ) ভূত্বক স্তৰক ..... বুলিও জনা যায়।



(গ) মাটি জৈৱিক আৰু অজৈৱিক পদাৰ্থৰে গঠিত।



(ঘ) মেগ্‌মা পৰা উৎপত্তি হোৱা শিলক আগ্নেয় শিল বোলে।



(ঙ) মণিকবোৰ সাধাৰণতে কঠিন পদার্থ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। চমু উত্তৰ লিখাঃ

(৩০টা মান শব্দৰ ভিতৰত)

(ক) ভূত্বক বুলিলে কি বুজা?

উত্তৰঃ- পৃথিৱীৰ পৃষ্ঠৰ পৰা অভ্যন্তৰ ভাগলৈ ১% ভূত্বক, ৮৪% গুৰুমণ্ডল আৰু ১৫% কেন্দ্রমণ্ডলে আবৃত। পৃথিৱীৰ উপৰিভাগৰ কঠিন আৱৰণটোক ভূত্বক বুলি কোৱা হয়। তৰল আৰু গেছীয় পদার্থবোৰ চেঁচা হৈ সংকুচিত হোৱাৰ ফলত ভূত্বক অসমান আৰু ওখোৰা-মোখোৰা হোৱা বুলি ধাৰণা কৰা হৈছে। পর্বত-পাহাৰ, মালভূমি, সমভূমি, সাগৰ, মহাসাগৰ আদি অবয়ৱসমূহ ভূত্বকতে অৱস্থিত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভূত্বকৰ গভীৰতা আন দুটা স্তৰতকৈ কম। ই গড়ে প্ৰায় ২০ কিল'মিটাৰ ডাঠ। অৱশ্যে মহাদেশীয় অংশত ই ১৬ কিল'মিটাৰৰপৰা ৬০ কিল'মিটাৰ ডাঠ আৰু মহাসাগৰ তলিত ই মাত্ৰ ৫ কিল'মিটাৰৰপৰা ১০ কিল'মিটাৰ পৰ্যন্তহে ডাঠ। ভূত্বক স্তৰটো সাধাৰণতে গ্ৰেণাইট জাতীয় শিলেৰে গঠিত।

(খ) আগ্নেয় শিল কাক বোলে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৃথিৱীৰ অন্তর্ভাগত থকা গলিত, উত্তপ্ত পদার্থসমূহক মেগ্‌মা বোলা হয়। এনে মেগ্‌মা ভূপৃষ্ঠলৈ ওলাই আহিব নোৱাৰি কালক্রমত তাপ বিকিৰণ কৰি শীতল হৈ শিলত পৰিণত হয়। এনে ধৰণে গঠন হোৱা শিলক আগ্নেয় শিল বোলা হয়। আগ্নেয় শিল দুই প্রকাৰৰ - বহির্ভেদী আগ্নেয়শিল আৰু অন্তর্ভেদী আগ্নেয় শিল বোলে। পৃথিৱীত আগ্নেয়শিলৰ প্রথমতেই সৃষ্টি হৈছিল বাবে এই শিলক প্রাথমিক শিল বুলিও জনা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) মাটি বুলিলে কি বুজা?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভূত্বকৰ আন এবিধ উপাদান হ'ল মাটি। পৃথিৱীৰ খোলাটোৰ একেবাৰে ওপৰৰ কোমল তৰপটো য'ত আমি ঘৰ-দুৱাৰ সাজো, খেতি-বাতি কৰোঁ, যাতায়াতৰ ব্যৱস্থা কৰোঁ, য'ত গছ-গছনিয়ে খামোচ মাৰি ধৰি থাকে সেই অংশকে মাটি বুলি কোৱা হয়। সাধাৰণতে শিলৰপৰাই মাটিৰ উৎপত্তি হয়। শিলৰপৰাই মাটিৰ সৃষ্টি হয় বাবে শিলত থকা মণিকবিলাক মাটিতো পোৱা যায়।

(ঘ) মণিক কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পৃথিৱীৰ খোলাটোৰ আন এটি উপাদান হ'ল মণিক। পৃথিৱীত প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা অজৈৱিক গোটা পদাৰ্থসমুহেই হ'ল মণিক। মণিকবোৰ সাধাৰণতে কঠিন পদাৰ্থ। মণিকবোৰ ভূত্বকৰ গোটেই খোলাটোতেই পোৱা যায়। সকলো মণিকৰে মনি কিছুমান নিৰ্দিষ্ট ধৰ্ম আছে। বৰণ, বৰ্ণৰেখা, ৰূপ, স্বচ্ছতা আদি মণিকৰ মূল ধৰ্ম।

(ঙ) 'হিউমাছ' কাক বোলে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মাটি জৈৱিক আৰু অজৈৱিক পদাৰ্থৰে গঠিত। মাটিৰ জৈৱিক উপাদান বুলিলে সাধাৰণতে 'হিউমাছ'ক বুজায়। ঘাঁহ-বন, লতা আৰু গছ-গছনিৰ ডাল-পাতৰ অংশ, বিভিন্ন জীৱ, যেনে- কেঁচু, কুমতি, এন্দুৰ, পোক-পৰুৱাৰ মৃতদেহ, গৰু- ম'হ আদি বিভিন্ন জীৱ-জন্তুৰ বিষ্ঠাবোৰেই মাটিত থকা জৈৱিক পদাৰ্থ। এনে পদাৰ্থসমূহ ৰ'দত শুকাই, পানীত পচি আৰু অণুজীৱৰ প্ৰভাৱত 'হিউমাছ' সৃষ্টি কৰে।